সকলোৰেই গোস্বামী ডাঙৰীয়াৰ ছাত্ৰ। পুৰণি দলৰ ভিতৰত ৰায় বাহাদুৰ জগন্নাথ বৰুৱা, কালীৰাম বৰুৱা, কালীৰাম চৌধুৰী, মানিকচন্দ্ৰ বৰুৱা আৰু ফটিকচন্দ্ৰ বৰুৱাই গোস্বামী ডাঙৰীয়াক শিক্ষকৰূপে পাইছিল। পোনতে এওঁ এজন স্কুলৰ ডেপুটী ইন্‌চ্‌পেক্তৰ আছিল। সেই সময়ত স্কুলৰ মাষ্টাৰ আৰু স্কুলৰ ইন্‌চ্‌পেক্তৰৰ কৰ্তব্যৰ ভিতৰত ইমান বন্ধা-ছটা নিয়ম নাছিল। আমি গোস্বামী ডাঙৰীয়াৰ মুখে শুনিছোঁ আনন্দৰাম বৰুৱা আৰু তেওঁৰ সহপাঠীসকলে তেওঁৰ ওচৰত আহি এদিন আপত্তি কৰিলেহি যে তেওঁলোকৰ ইংৰাজী শিক্ষা ইমান সুবিধা-জনক হোৱা নাই, আৰু ইংৰাজী পঢ়োৱাৰ ভাৰ লবলৈ গোস্বামী ডাঙৰীয়াক অনুৰোধ কৰিলে। গোস্বামী ডাঙৰীয়াই ডেপুটী ইন্‌চ্‌পেক্তৰ কামৰ উপৰিও ওপৰঞ্চি শিক্ষক হৈ আনন্দৰাম আৰু তেওঁৰ সহপাঠী-সকলক ইংৰাজী পঢ়াইছিল। তেওঁৰ পিতৃদেৱ ৰাধামোহন গোস্বামী ১৮৩৮ খৃষ্টাব্দত অসমলৈ আহে। সদৰামিন গৰ্গৰাম বৰুৱাৰ লগত তেওঁ হৰিহৰ-আত্মা আছিল; সেইদৰে পৰশুৰাম আৰু চন্দ্ৰমোহন গোস্বামী ডাঙৰীয়াও সহৃদয় বন্ধু আছিল, ইপোনে তেওঁৰ সৰুভায়েক যাদৱচন্দ্ৰ গোস্বামী আনন্দৰামৰ সহপাঠী আছিল। এইবোৰ কাৰণত গোস্বামীদেৱে আনন্দৰামক বিশেষ যত্নেৰে পঢ়াইছিল। আনন্দৰামে ইংৰাজী ভাল জানিছিল, কিন্তু সেই বিষয়ত তেওঁৰ অসাধাৰণ ব্যুৎপত্তিৰ চিন স্কুলীয়া কালত দেখুৱা নাছিল। তেওঁ সৰুৰে পৰা সংস্কৃত আৰু গণিতহে ভাল পাইছিল, আৰু তাত তেওঁৰ বিশেষ অধিকাৰো আছিল।

কিন্তু ইহে আচৰিত, আগলৈ ইমান মহত্বৰ বীজ গাত লৈ বৰুৱাদেৱে ১৮৬৪ চনৰ ডিচেম্বৰ মাহত দ্বিতীয় বিভাগতহে এণ্ট্ৰেন্স পৰীক্ষা পাচ কৰিলে। স্বৰ্গীয় চন্দ্ৰমোহন গোস্বামী ডাঙৰীয়াই কৈছিল আনন্দৰামৰ বোলে স্বাভাৱিক প্ৰতিভা নাছিল, তেওঁৰ আছিল পৰিশ্ৰম কৰিব পৰা শক্তি। স্বাভাৱিক শক্তিৰ আগত অকল মাথোন পৰিশ্ৰমৰ সদায় পৰাজয়,

সেইদেখি বৰুৱাদেৱৰ নিচিনা মানুহেও দ্বিতীয় বিভাগতহে ঠাই পালে।

মিঃ বৰুৱাৰ সমসাময়িক 'জ্ঞানমুকুৰ' ৰচয়িতা স্বৰ্গীয় চন্দ্ৰশেখৰ বৰুৱা ডাঙ্গৰীয়াই কৈছিল প্ৰবেশিকা পৰীক্ষা দিয়া কালত আনন্দৰামৰ গাত জ্বৰ আছিল। তেওঁ জ্বৰৰ গাৰেই অগত্যা পৰীক্ষা দিছিল। তেওঁ পৰীক্ষাৰ কিদিন আন একো নাখাইছিল, মাথোন সুমথিৰা টেঙ্গাহে পাৰেমানে খাইছিল। পৰীক্ষাত যে ভাল ফল কৰি যশস্যা ৰাখিব লাগে এই আদর্শ শিৰোধাৰ্য্য কৰি তেওঁ প্ৰাণ টাকি পৰিশ্ৰম কৰা নাছিল। কিন্তু সেই কালৰ অসমৰ শিক্ষাৰ অৱস্থালৈ চাই ইয়াকে যথেষ্ট বুলি ধৰিব লাগে। এণ্ট্ৰেন্স পাচ কৰি কলিকতাৰ কলেজত পঢ়াৰ দিন ধৰিহে আনন্দৰামৰ প্ৰতিভাৰ ক্ৰমশঃ বিকাশ হবলৈ ধৰিলে বুলি কব পাৰি।

আনন্দৰাম বৰুৱাই উত্তৰ গুৱাহাটীৰ নিচিনা কীৰ্ত্তিপূৰ্ণ ঠাইত জন্মগ্ৰহণ কৰি তাৰ অতীত ইতিবৃত্ত আৰু বাসীন্দাৰসকলৰ আতিগুৰিৰ বিষয়ে জানিবলৈ স্বাভাৱিকতে বৰ উৎকণ্ঠিত হৈছিল। আমি বজ্ৰাতুৱাৰৰ বাসীন্দাৰ আৰু মিঃ বৰুৱাৰ লৰাকালৰ বন্ধু শ্ৰীযুত ভীবিৰাম বৰুৱাৰ মুখে শুনিছোঁ যে ১৮৬৪ চনৰ ডিচেম্বৰ মাহত এণ্ট্ৰেন্স পৰীক্ষা দি ঘৰত বহি থকা কালত উত্তৰ গুৱাহাটীৰ পুৰণা তথ্য-সংগ্ৰহ কৰাত আনন্দৰাম ব্যস্ত আছিল। তাৰ অৰ্থে তেওঁ পোনতে উত্তৰ গুৱাহাটীৰ সম্ভ্ৰান্ত পৰিয়ালবৰ্গৰ নাম, আৰু তেওঁলোকৰ পূৰ্ব্বপুৰুষসকলৰ বংশৰ আতিগুৰি লিখিবলৈ আৰম্ভ কৰিছিল। পাচলৈ এই তথ্য সংগ্ৰহ কি হ'ল, আৰু মিঃ বৰুৱাই বা হাতত লোৱা কামটো কিয় ত্যাগ কৰিলে তাৰ বিষয়ে কোনেও একো কব নোৱাৰে।

# কলিকতাৰ কলেজত

গুৱাহাটী স্কুলৰ পৰা দ্বিতীয় বিভাগত প্ৰবেশিকা পৰীক্ষাত উঠি গৱৰ্ণমেণ্টৰ পৰা বৃত্তি লৈ ১৮৬৫ চনৰ আৰম্ভতে আনন্দৰামে কলিকতাৰ সৰ্ব্বপ্ৰধান শিক্ষালয় প্ৰেচিডেন্সী কলেজত নাম লগায়। গৱৰ্ণমেণ্টে গুৱাহাটীত তাৰ দুবছৰৰ পিচতহে কলেজ খুলিছিল। কলিকতালৈ যোৱাৰ পূৰ্ব্বে আনন্দৰামে জগতৰ সভ্যতাৰ আৰু জগতৰ নানান সম্ভাৱনাৰ একো আভাস পোৱা নাছিল। পূব আৰু পছিমৰ আনজেউতিৰে দিপ্ লিপ্ কলিকতালৈ গৈহে তেওঁ জগতৰ সকলো কাণ্ড-কাৰখানাৰ গম পাবলৈ ধৰিলে। তাৰ লগে লগে তেওঁৰ স্বাভাৱিক প্ৰতিভা আৰু বুদ্ধিবৃত্তিয়ে নিজৰ উপযোগী কৰ্ম্মক্ষেত্ৰ বাচি লবলৈ সুবিধা পালে।

বিসকল পণ্ডিত আৰু গ্ৰন্থকাৰে মানুহৰ জীৱনচৰিতৰ তথ্য নিয়াৰিকৈ আলোচনা কৰিছে তেওঁলোকে কয় যে মানুহে যেনে সমাজত থুবে, যেনে মানুহৰ লগত ঘনিষ্ঠতা ৰাখে, গ্ৰন্থাদি পঢ়ি যেনে আহিৰে সৈতে মানসিক সংযোগত থাকে তেনে আহিয়ে মানুহজনৰ মনত প্ৰবলভাৱে নিজৰ শক্তি বিস্তাৰ কৰে, আৰু তেৰোঁ সেই আদৰ্শৰ তলতীয়া হৈ জীৱনৰ গতি নিৰূপণ কৰে। অলপতে মাথোন বৃটিচ সভ্যতাৰ পোহৰলৈ অহা শিক্ষা বিষয়ত পিচপৰি থকা অসমৰ বুকুৰ পৰা আহি কলিকতা পাই আনন্দৰামৰ তেনে অৱস্থা হ'ল।

কলিকতাৰ প্ৰেচিডেন্সী কলেজত সোমাই আনন্দৰামে যিসকলৰ সংসৰ্গত আহে তেওঁলোক বৰ্ত্তমান বঙ্গৰ প্ৰতিষ্ঠাতা বুলিলেও বেচি কোৱা নহয়। তেওঁলোক প্ৰত্যেকেই উদ্যোগ উৎসাহ আৰু প্ৰতিভাৰ শিৰোমণি। এওঁলোকৰ প্ৰত্যেকৰ গাতে মহত্ত্ব লুকাই আছিল।

তেওঁলোকৰ শিক্ষকসকলৰ মাজত আছিল স্বৰ্গীয় গুৰুদাস বন্দ্যোপাধ্যায় এম, এ ( পাচলৈ চাৰ ) আৰু স্বৰ্গীয় পণ্ডিত মহেশচন্দ্ৰ ন্যায়ৰত্ন ( পাচলৈ মহামহোপাধ্যায় )। গুৰুদাস বন্দ্যোপাধ্যায় ডাঙ্গৰীয়াই মাথোন জয়-জয়তে বিশ্ববিদ্যালয়ৰ ধাৰ-নিছিগা উজ্জ্বল জীৱনী সমাপন কৰি প্ৰেচিডেন্সী কলেজৰ গণিতৰ অধ্যাপক কামত নিযুক্ত হয়। এনে এটি উজ্জ্বল ভবিষ্যত আগত লৈ জীৱনক্ষেত্ৰত সোমোৱা তৰুণ অধ্যাপক শ্ৰীযুত গুৰুদাস বন্দ্যোপাধ্যায়ক তেতিয়া প্ৰতিভাৰ অৱতাৰ বুলি মানুহে ধাৰণা কৰিছিল। পূজ্যপাদ গুৰুদাসৰ চৰণত বিদ্যাৰ্থী হৈ আনন্দৰামৰ জীৱন বাস্তবিকে ধন্য হৈছিল। আনন্দৰাম যে আগলৈ গণিতত ইমান নাম কৰিব পাৰিছিল ইয়াৰ মূলত পণ্ডিতপ্ৰবৰ গুৰুদাসৰ বিচক্ষণ শিক্ষাপ্ৰণালী আৰু নিজৰ গাত থকা বৈদ্যুতিক মোহিনী শক্তি। মহেশচন্দ্ৰ ন্যায়ৰত্নই সেই সময়ত বঙ্গৰ পণ্ডিতসমাজত প্ৰাতঃস্মৰণীয় ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ লগত একেলগে আসন পাই আহিছিল। তেওঁৰ সাহিত্য-সেৱাই ইউৰোপৰ শিক্ষা-কেন্দ্ৰবোৰৰ পৰাও বিশেষভাৱে পূজা পাই আহিছে। সংস্কৃত সাহিত্যত এনে অগাধ পণ্ডিত অধ্যাপক পাই আনন্দৰাম আৰু তেওঁৰ সমনীয়া সহপাঠীসকলৰ দেৱভাষা সংস্কৃতৰ ফালে আসক্তি জন্মিব একেবাৰে স্বাভাৱিক।

আনন্দৰামৰ সমনীয়া বন্ধুসকলৰ ভিতৰত সৰ্ব্বভাৰতীয় নেতা বাগ্মিপ্ৰবৰ সুৰেন্দ্ৰনাথ বন্দ্যোপাধ্যায় প্ৰধান। তেওঁ আনন্দৰামতকৈ এবছৰ আগ আছিল। স্বৰ্গীয় চিভিলিয়ান ৰমেশচন্দ্ৰ দত্ত আনন্দৰামৰ লগত একে শ্ৰেণীতে পঢ়ে। তেওঁৰ আন সহপাঠী আছিল স্বৰ্গীয় বিহাৰীলাল গুপ্ত চিভিলিয়ান, ৰায়চান্দ প্ৰেমচান্দ বৃত্তিধাৰী স্বৰ্গীয় কাৰ্ত্তিকচন্দ্ৰ মিত্ৰ, খ্যাতনামা উকীল স্বৰ্গীয় ত্ৰৈলোক্যনাথ বসু আৰু স্বৰ্গীয় উমাকালী মুখাৰ্জি ; আৰু কলেজীয়া বন্ধু আছিল বঙ্গীয় ব্ৰাহ্মসমাজৰ ধাই ধৰণী স্বৰ্গীয় পণ্ডিত শিৱনাথ শাস্ত্ৰী।

আনন্দৰামে কলিকতালৈ গৈ পোনতে প্ৰেচিডেন্সী কলেজৰ গাত লগা হিন্দু হোষ্টেলত থাকেগৈ। এতিয়াৰ হিন্দু হোষ্টেল কলেজ স্কোয়াৰৰ ওচৰত পিয়াৰীচৰণ সৰকাৰ ষ্ট্ৰীটত। তেতিয়া হিন্দু হোষ্টেল আছিল কলুতোলা ষ্ট্ৰীটত। বঙ্গৰ যশস্বি কবি "পলাশীৰ যুদ্ধ", "ৰৈবতক" আদি কাব্য লিখোঁতা স্বৰ্গীয় নবীন চন্দ্ৰ সেনৰ লগত সহপাঠী নহলেও সহ-অধ্যায়ী স্বৰূপে আনন্দৰামৰ বিশেষ চিনাকী জন্মে।

প্ৰতিভা কেতিয়াও অনাদৃত হৈ পৰি নেথাকে। পোনতে কলেজত সোমাওঁতে আনন্দৰামৰ প্ৰতিভাৰ সমুচিত পৰিচয় শিক্ষকসকলে নাপাইছিল যদিও পাচত তেওঁক সকলোৱে চিনি পাবলৈ ধৰিলে। সুদূৰ অসমৰ গিৰি-ৰাজ্যৰ পৰা অহা দেখি তেওঁ সকলোৰে কৌতূহলৰ পাত্ৰ আছিল।

গণিতৰ অধ্যাপক গুৰুদাস বন্দ্যোপাধ্যায়ে পোনতে তেওঁৰ প্ৰতিভাৰ সমাদৰ কৰে। বন্দ্যোপাধ্যায় ডাঙ্গৰীয়াই অঙ্ক দি কোন লৰাই কেনেকৈ কৰিছে তাক চাবলৈ শ্ৰেণীৰ কেউফালে খোজ কাঢ়ি ফুৰে। তেওঁ গৈ দেখে আনন্দৰামে অতি কম সময়ৰ ভিতৰতে বৰ কৌশলেৰে অথচ উজু উপায়েৰে অঙ্কটো কৰি সাজু হৈ আছে। লাহে লাহে আনন্দৰাম আন আন অধ্যাপকবো চকুত পৰিবলৈ ধৰিলে। কলেজৰ অধ্যক্ষ মিঃ জেইম্‌চ চাটক্লিফ চাহাবে বৰুৱাদেৱক বৰ আদৰ কৰিছিল, আৰু আনন্দৰামক কলেজৰ এজন উজ্জ্বল ৰত্ন বুলি ভাবিছিল।

১৮৫৩ চনৰ প্ৰেচিডেন্সী কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণী এই হেন তৰা-বৃন্দৰে উজ্জ্বল আছিল, আৰু আমাৰ গৌৰৱৰ বিষয় এই যে আনন্দৰাম এই তাৰকামণ্ডলীৰ মাজত সবাতকৈ উজ্জ্বল আছিল। আনন্দৰামৰ কলেজৰ প্ৰথম বছৰৰ জীৱনৰ বিষয়ে মহাত্মা গুৰুদাস বন্দ্যোপাধ্যায় ডাঙ্গৰীয়াই যি কৈছে সি অসমীয়াৰ মুখে মুখে হোৱা উচিত। চাৰ গুৰু-দাসে এই জীৱনী লিখোঁতালৈ এনেদৰে লিখিছিল,—

"১৮৬৫ খৃষ্টাব্দত প্ৰেসিডেন্সী কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ হৈ থাকোঁতে আনন্দৰাম বৰুৱাৰ সৈতে মোৰ পোনতে চিনাকী হয়। মই তেতিয়া সেই কলেজৰ গণিতৰ অধ্যাপকৰূপে সম্প্ৰতিকলৈ কামত সোমাওঁ। এবছৰ কাল মই আনন্দৰামক প্ৰায় নিতৌ লগ পাইছিলোঁ আৰু তাৰ পৰা তেওঁৰ বিষয়ে মোৰ যি ধাৰণা হৈছিল সি অতি সুন্দৰ। আনন্দৰাম বৰ নম্ৰ আছিল, কেতিয়াও অহঙ্কাৰ নেদেখুৱাইছিল, আৰু ক্লাচৰ পঢ়াশুনা কাম অতি সন্তোষজনককৈ সমাধা কৰিছিল। মই ক্লাচত দিয়া টান বা উজু এনে এটা অঙ্ক নাই যাক আনন্দৰামে কৰি উলিয়াব নোৱাৰিছিল। অতি সোনকালে তেওঁ অঙ্কৰ উত্তৰ উলিয়াইছিল, আৰু তেওঁৰ অঙ্ক কৰা প্ৰণালীও বৰ উজু আৰু বিচক্ষণ আছিল।

"প্ৰেচিডেন্সী কলেজৰ সেই বছৰৰ প্ৰথম বাৰ্ষিক শ্ৰেণী বৰ উজ্জ্বল আছিল। তাত এনে প্ৰতিভাশালী ছাত্ৰ আছিল,—স্বৰ্গীয় ৰমেশচন্দ্ৰ দত্ত, বহুত বছৰ ধৰি মেদিনীপুৰৰ খ্যাতনামা উকীল প্ৰেমচান্দ ৰায়চান্দ বৃত্তি-ধাৰী স্বৰ্গীয় কাৰ্ত্তিকচন্দ্ৰ মিত্ৰ, ঢাকাৰ উকীল সমাজৰ নেতা স্বৰ্গীয় ত্ৰৈলোক্যনাথ বসু, মিঃ বিহাৰীলাল গুপ্ত, আৰু হাইকোৰ্টৰ খ্যাতনামা উকীল বাবু উমাকালী মুখাৰ্জ্জী। ইয়াৰ ভিতৰত কাৰ্ত্তিকচন্দ্ৰ মিত্ৰ আৰু ত্ৰৈলোক্যনাথ বসু গণিতত বৰ পাৰ্গত আছিল। কিন্তু এইটো নিশ্চয় যে আনন্দৰাম এই তৰুণ প্ৰতিভাশালী ছাত্ৰবৃন্দৰ ভিতৰত সবাতকৈ উজ্জ্বল আছিল। এই খিনিতে উল্লেখ কৰিব লগীয়া কথা এই যে আনন্দৰামৰ সহপাঠীসকলে তেওঁৰ ওখ ধৰণৰ বুদ্ধি-বৃত্তি স্বীকাৰ কৰোঁতে অকণো কোচ নেখাইছিল। এইটো বৰ দুখৰ কথা যে ৰাইজৰ উপকাৰৰ হকে উচৰ্গা কৰা তেওঁৰ বহুমূলীয়া জীৱনৰ ইমান কোমল বয়সতে সামৰণি পৰে।"

১৮৬৬ চনৰ ডিচেম্বৰ মাহত আনন্দৰামে এল্-এ (পাচলৈ এফ্-এ আৰু ইণ্টাৰমিডিয়েট) পৰীক্ষা দিয়ে। গুৰুদাস বন্দ্যোপাধ্যায়ে তেওঁৰ ছাত্ৰৰ

বিষয়ে কি ধাৰণা কৰিছিল সি কলিয়ালে। আনন্দৰামে মোটৰ ওপৰত বিশ্ববিদ্যালয়ত প্ৰথম বিভাগত ষষ্ঠ স্থান অধিকাৰ কৰে, আৰু গণিতত সৰ্ব্বপ্ৰধান স্থান অধিকাৰ কৰি "ডাফ, স্কলাৰ্চিপ" পায়। তেওঁৰ লগত এল-এ পৰীক্ষাত উত্তীৰ্ণ হোৱা সকলৰ নাম ১ম কাৰ্ত্তিকচন্দ্ৰ মিত্ৰ, ২য় ৰমেশচন্দ্ৰ দত্ত, ৩য় জে. ব্লকমেন, ৪ৰ্থ শিৱনাথ বানাৰ্জ্জী, ৫ম ধীৰেশ্বৰ চাটাৰ্জ্জী, ৬ষ্ঠ আনন্দৰাম বৰুৱা আৰু ১৩শ বিহাৰীলাল গুপ্ত। দ্বিতীয় বিভাগত প্ৰবেশিকা তৰাৰ পাচ কৰি এল-এ পৰীক্ষাত ইমান ওখ ঠাই অধিকাৰ কৰা কম গৌৰৱৰ কথা নহয়। / ১৮৬৭

আনন্দৰামে দুগুণ উৎসাহে সেই প্ৰেচিডেন্সী কলেজতে বি-এ পঢ়িবলৈ ধৰিলে। বিশ্ব-বিখ্যাত কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ অগ্ৰজ শ্ৰীযুত সত্যেন্দ্ৰনাথ ঠাকুৰে ই এটা অভিনৱ ঘটনা। তেতিয়া বিলাতৰ চিভিলিয়ান পৰীক্ষা পাচ কৰি আহিছে। তেওঁৰ আহিয়ে প্ৰেচিডেন্সী কলেজৰ এই ছাত্ৰবৃন্দক ৰবকৈ উদগনি দিয়ে। শ্ৰীযুত সুৰেন্দ্ৰনাথ বানাৰ্জ্জীয়ে পাচ বছৰ অৰ্থাৎ ১৮৬৮ চনত বি-এ পাচ কৰি বিলাতলৈ যাবলৈ আয়োজন কৰে। তেওঁৰ লগত বিলাতলৈ যাবলৈ মিঃ ৰমেশচন্দ্ৰ দত্ত আৰু বিহাৰীলাল গুপ্তও উত্রাবল হৈ পৰে। কিন্তু তেওঁ-লোকক বিলাতলৈ পঠিয়াবলৈ ঘৰৰ পৰা মনা। গতিকে, ৰমেশচন্দ্ৰ দত্ত আৰু বিহাৰীলাল গুপ্তই চতুৰ্থ বাৰ্ষিক শ্ৰেণীৰ পৰা মনে মনে সুৰেন্দ্ৰ বানাৰ্জ্জীৰ লগত বিলাত পালেগৈ। তেওঁলোকৰ ঘৰত যথেষ্ট সংস্থান আছিল। বিলাতলৈ গোপনে যোৱাৰ স্বত্বেও তাৰ পাচৰ পৰা তেওঁ-লোকৰ অভিভাবকসকলে অৰ্থেৰে সহায় কৰিবলৈ ধৰিলে। কিন্তু আনন্দৰামৰ পিতৃ গৰ্গৰাম সৰবামিন ডাঙৰীয়াৰ তেনে অৰ্থৰ সংস্থান থাকিলেও এই দৰে বিনা অনুমতিত যাবলৈ সোতৰ-বছৰীয়া আনন্দৰামে সাহ নকৰিলে। ইয়াৰ কাৰণে বিলাতলৈ লগৰীয়া বন্ধুসকলৰ লগত যাবলৈ ইচ্ছা থকা স্বত্বেও তেওঁ ১৮৬৮ চনত তাক সিদ্ধ কৰিব নোৱাৰিলে।

সেই দেখি বি-এ মহলাত সুখ্যাতিৰে পাচ কৰি চৰ্কাৰী বৃত্তি লৈ যোৰাটোৰেই তেওঁ সঙ্কল্প কৰিলে। ঈশ্বৰৰ ইচ্ছা ৰমেশচন্দ্ৰৰ দৰে প্ৰতিদ্বন্দ্বী তেওঁৰ বি-এ মহলাত কোনো নাছিল। গতিকে তেওঁৰ ইচ্ছা কাৰ্য্যত সম্ফল হবলৈ একো বিঘিনি নজন্মিল।

১৮৬৯ খৃষ্টাব্দৰ জানুৱাৰী মাহত বিশ্ববিদ্যালয়ত তৃতীয় স্থান অধিকাৰ কৰি আনন্দৰাম বৰুৱাই বি-এ মহলাত উত্তীৰ্ণ হয়;—১ম কাৰ্ত্তিকচন্দ্ৰ মিত্ৰ, ২য় ত্ৰৈলোক্যনাথ বসু।

বি-এ পৰীক্ষাত তৃতীয় স্থান অধিকাৰ কৰিছিল বুলিও সকলোৱে আনন্দৰামকহে সেই বছৰৰ সৰ্ব্বোৎকৃষ্ট ছাত্ৰ বুলি ধৰিছিল। প্ৰেচিডেন্সী কলেজৰ অধ্যক্ষ মিঃ জ্বেইমচ্ চাট্‌ক্লিফ্ চাহাবে বঙ্গৰ শিক্ষাবিভাগৰ শাসনকৰ্ত্তা মিঃ হেন্‌ৰী উড্ৰৰ লগত বৰুৱাক সেই বুলিহে চিনাকী কৰি দিয়ে। মিঃ উড্ৰই বৰুৱাৰ লগত কথা-বাৰ্ত্তা পাতি বৰ মোহ যায় আৰু এই প্ৰতিভাশালী তৰুণ ছাত্ৰটিক সেই কালৰ ভাৰতৰ গৱৰ্ণৰ-জ্বেনাৰেল লৰ্ড মেয়োৰ লগত চিনাকী কৰি দিয়ে।

নিজৰ প্ৰতিভা-শক্তিৰ বলেৰে মিঃ বৰুৱাই ষ্টেইট্ স্কলাৰ্চিপ আৰু গিলক্ৰাইষ্ট স্কলাৰ্চিপ লাভ কৰে। এই দুই বৃত্তিৰ মোট মূল্য আছিল মাহে প্ৰায় ৪০০্ টাকা।

১৮৬৮ চনত ভাৰত গৱৰ্ণমেণ্টে বৃত্তি দি বিলাতলৈ শিক্ষাৰ কাৰণে লৰা পঠিওৱাৰ ব্যৱস্থা কৰে। বি-এ পৰীক্ষাৰ লগে লগে সেই বৃত্তিৰ পৰীক্ষা হোৱাৰ নিয়ম আছিল। এই পৰীক্ষাত সৰ্ব্বপ্ৰথম হোৱা ছাত্ৰকহে বিলাতলৈ যোৱা বৃত্তি দিয়া হৈছিল। তাৰ কাৰণে স্বতন্ত্ৰবীয়া পৰীক্ষক নিযুক্ত হৈছিল। ১৮৬৯ চনৰ জানুৱাৰী মাহত প্ৰথম বৃত্তি-পৰীক্ষা হয়। ইয়াৰ পৰীক্ষক আছিল ডাক্তাৰ অগিল্‌ভী, চেণ্ডাৰ্চ, উড্ৰ, বিবি, টনি আৰু মিছেল চাহাব। বাবু কাৰ্ত্তিকচন্দ্ৰ মিত্ৰ সেইবাৰ বি-এ পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰিছিল। তেৰো এই বৃত্তি-পৰীক্ষাত

আনন্দৰামৰ প্ৰতিযোগী আছিল। কলিকতা হাইকোৰ্টৰ সুপ্ৰসিদ্ধ ব্যাৰিষ্টাৰ মিঃ লালমোহন দাস আৰু বিলাতৰ প্ৰিভি কাউন্সিলৰ সৰ্ব্বপ্ৰথম ভাৰতীয় মেম্বৰ মিঃ চৈয়দ আমিৰ আলীও এই পৰীক্ষাত প্ৰতিযোগী আছিল। কিন্তু অসমৰ গৌৰৱৰ কথা—মিঃ বৰুৱাক পৰীক্ষক-সকলে সৰ্ব্বশ্ৰেষ্ঠ বুলি বিবেচনা কৰি কলিকতা বিশ্ববিদ্যালয়ৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতি অৰ্থাৎ চিণ্ডিকেটলৈ তেওঁৰ নাম পঠিয়াই দিয়ে। ১৮৬৯ চনৰ ২৯ জানুৱাৰীৰ চিণ্ডিকেটৰ কাৰ্য্যবিৱৰণীত এই কথাষাৰ পোৱা যায়,—"বিলাতত পঢ়িবলৈ বৃত্তিৰ কাৰণে হোৱা পৰীক্ষাৰ পৰীক্ষক-সকলৰ মন্তব্য পাঠ কৰা হ'ল। তেওঁলোকে মনোনীত কৰি পঠাইছে যে প্ৰেচিডেন্সী কলেজৰ আনন্দৰাম বৰুৱাক এই বৃত্তি দিয়া হওক।" উক্ত চিণ্ডিকেটৰ অধিবেশনত এই বাচনি সমৰ্থন কৰা হয়। এই বৃত্তিৰ মূল্য আছিল বছৰি ২০০ পাউণ্ড বা ৩০০০৲ টকা, আৰু সেই বৃত্তি তিন বছৰ ধাৰ্য্য। এই দৰে প্ৰতিযোগী পৰীক্ষাত সৰ্ব্বপ্ৰথম হৈ মিঃ বৰুৱাই গিল্‌ক্ৰাইষ্ট বৃত্তিও পায়। ইয়াৰ মূল্য বছৰি ১০০ পাউণ্ড, বৃত্তিৰ কাল পাঁচ বছৰ।

এই দৰে বৃত্তি লৈ বিলাতলৈ যোৱাত মিঃ বৰুৱাৰ ঘৰৰ পৰা অলপ প্ৰতিবন্ধক হৈছিল, কিন্তু তেওঁৰ আগত আদৰ্শ আছিল ভাৰতৰত্ন সুৰেন্দ্ৰ বানাৰ্জ্জী, ৰমেশ দত্ত আৰু বিহাৰীলাল গুপ্ত। মিঃ বৰুৱাই বাধা প্ৰতিবন্ধক একো নেমানিলে। ১৮৬৯ খৃষ্টাব্দৰ জহকালি ছুটি লৈ মিঃ উড্ৰ চাহাবে বিলাতলৈ যাবলৈ ঠিক কৰে, তেওঁৰ লগত একেখন জাহাজতে বিলাতলৈ যাবলৈ মিঃ আনন্দৰাম বৰুৱায়ো আয়োজন কৰে।

# বিলাতত

১৮৬৯ খৃষ্টাব্দৰ জহকালিত আনন্দৰাম বৰুৱাই গৈ বিলাত পায়গৈ। তেওঁৰ প্ৰথম উদ্দেশ্য আছিল আই-চি-এচ্ পাচ কৰা। আৰু তাত থকা কেবছৰৰ ভিতৰত ব্যাৰিষ্টাৰী পাচ কৰা সম্ভৱ দেখি তেওঁ সেই পৰীক্ষাৰ কাৰণে ১৮৭০ চনৰ নবেম্বৰ মাহত মিডোল টেম্পোলৰ ছাত্ৰ-শ্ৰেণীত ভুক্ত হ'ল।

অক্সফোৰ্ড ও কেম্ব্ৰিজতকৈ লণ্ডনত থাকিলে তেওঁৰ চিভিলিয়ান পৰীক্ষাৰ কাৰণে সুবিধা হয় যেন ভাবি তেওঁ লণ্ডনতে থকা থিৰ কৰিলে, ১৮৭০ চনত লণ্ডন ইউনিভাৰ্চিটিৰ মেট্ৰিকুলেচন পৰীক্ষাত নামভুক্ত হৈ সেই ইউনিভাৰ্চিটিতে বি-এচ্-চি পৰীক্ষাৰ কাৰণে কলেজত পঢ়িবলৈ ধৰিলে। তেওঁ গণিতত সুপণ্ডিত আছিল, গতিকে এই পৰীক্ষাৰ কাৰণে তেওঁৰ একো টান নেলাগিল। তাৰ উপৰিও বি-এচ্-চিত পঢ়া পৰীক্ষাৰ কাৰণে যি কেইটা বিষয় লৈছিল সেইবোৰ বিষয় আই-চি-এচ্ পৰীক্ষাত লোৱাত তেওঁৰ বৰ সুবিধা হল, প্ৰায় একে পৰিশ্ৰমতে তেওঁ দুয়ো পৰীক্ষালৈকে সাজু হব পাৰিলে।

আনন্দৰাম বৰুৱাৰ বন্ধু-বান্ধৱ সকলে কেতিয়াও নেভাবিছিল যে তেওঁ আই-চি-এচৰ বাহিৰে আন পৰীক্ষাৰ কাৰণেও পঢ়িছে। তেওঁ একেলগে তিনিও পৰীক্ষাৰ কাৰণে সাজু হৈছিল।

১৮৬৯ চনত ৰমেশচন্দ্ৰ দত্ত, বিহাৰীলাল গুপ্ত আৰু সুৰেন্দ্ৰনাথ বানাৰ্জ্জীয়ে আই-চি-এচ্ পৰীক্ষা সম্মানৰে পাচ কৰে। তাৰ পিচ বছৰত আনন্দৰাম বৰুৱা অতি সম্মানৰে এই পৰীক্ষাত উত্তীৰ্ণ হয়।

১৮৭০ চনত এপ্ৰিল মাহৰ ৫ তাৰিখৰ পৰা আই-চি-এচ্ পৰীক্ষা আৰম্ভ হয়। পৰীক্ষাৰ কেন্দ্ৰ আছিল বাৰ্লিংটন গাৰ্ডেন্‌চ-ত থকা লণ্ডন

বিশ্ববিত্যালয়ৰ নতুন ঘৰ। সেইবাৰ ৩৬৯ জন পৰীক্ষাৰ্থী আছিল, তাৰ ভিতৰত পাবদৰ্শিতা হিচাবে ৪১ জনকহে উপযুক্ত বুলি আই-চি-এচৰ কাৰণে বাচি লোৱা হয়। এই নিৰ্ব্বাচিত ৪১ জন পৰীক্ষাৰ্থীৰ মাজত মিঃ বৰুৱাই ৩৮-শ স্থান অধিকাৰ কৰে। এইটো উল্লেখযোগ্য যে ১৮৬৯ খৃষ্টাব্দৰ জুহকালিত মাত্ৰ তেওঁ বিলাতত পদাৰ্পণ কৰে, সেইদেখি পৰীক্ষাৰ কাৰণে সাজু হবলৈ তেওঁ এবছৰতকৈয়ো কম সময় হাতত পাইছিল। ১৮৭০ চনৰ পহিলা মাৰ্চ্চত মিঃ বৰুৱাৰ বয়স আছিল উনৈচ বছৰ।

মিঃ বৰুৱাৰ ঘাই খোপনি আছিল সংস্কৃত আৰু গণিত। সংস্কৃতত তেওঁ পাইছিল ৫০০ নম্বৰৰ ভিতৰত ২৫৬, আৰু সেই বিষয়ত তেওঁ প্ৰথম স্থান অধিকাৰ কৰিছিল। দ্বিতীয় জন আছিল মিঃ ডনাল্ড ব্ৰুক ছিন্‌ক্লেয়াৰ, নম্বৰ ২১৬ ; তৃতীয়, মিঃ ডেভিদ এডিচ্, নম্বৰ ১৯৪। সংস্কৃতৰ প্ৰশ্নকাৰক আৰু পৰীক্ষক আছিল সুপ্ৰসিদ্ধ পণ্ডিত ই-বি-কাৱেল।

গণিতত মিঃ বৰুৱাই চতুৰ্থ স্থান অধিকাৰ কৰে, আৰু নম্বৰ পাইছিল ১২৫০-ৰ ভিতৰত ৮৩৬। গণিতত প্ৰথম হৈছিল আলেক্‌জেণ্ডাৰ ক্ৰুইক্‌ছেংক্, নম্বৰ ৯৭৬ ; দ্বিতীয়, জেম্‌চ্ মেক্‌ফাৰ্চন, নম্বৰ ৯৩৩ ; তৃতীয়, টমাছ গৰ্ডন ওৱাকাৰ, নম্বৰ ৮৪৩। এওঁলোক তিনিজনে গোটেই পৰীক্ষাত ক্ৰমান্বয়ে সপ্তম, ত্ৰয়োদশ আৰু চতুৰ্থ স্থান অধিকাৰ কৰিছিল। গণিতৰ পৰীক্ষক আছিল বেভাৰেণ্ড বি-প্ৰাইছ, ই-জে ৰোথ আৰু আৰ্ টাউনছেণ্ড।

ইংৰাজী ৰচনাত মিঃ বৰুৱাই ৫০০ নম্বৰৰ ভিতৰত ৩৯ নম্বৰ পাইছিল। এই বিষয়ৰ পৰীক্ষক আছিল সুবিখ্যাত ইংৰাজ কবি আৰু সমালোচক মিঃ মেথিউ আৰ্নল্ড্, আৰু ডব্লিও ষ্টেব্বিং। সেই বছৰৰ অন্যান্য কৃতী ছাত্ৰই ইংৰাজী ৰচনাত এইদৰেহে নম্বৰ পাইছিল,—চতুৰ্থ স্থান

অধিকাৰ কৰোঁতা মিঃ ওৱাকাৰে ৭৭; অষ্টম, মিঃ জেইমচ্ ছিলককে ৫৪; ১৩-শ, মেক্ফাৰ্ছনে ৩৫; ২৩-শ, মিঃ জন নিউজেণ্টে শূন্য; ৩০-শ, মিঃ চাৰ্লচ জেম্চ্ অ'ডনেলে শূন্য; ৩৩-শ, মিঃ জন নাৰচ্ ওৱাইটে ৮; ৪১-শ, মিঃ আৰ্চিবল্ড্ ফ্রেন্চিচ্ উড্বাৰ্ণে ৯।

ইংৰাজী সাহিত্যত মিঃ বৰুৱাই পাইছিল ৫০০ নম্বৰৰ ভিতৰত ১১০। পৰীক্ষাত বাচনিত উঠা কোনো ছাত্রই ১৫, ৪০, ৬০, ৮৫, ১০০, ১০৫, এনেকৈ পাইছিল। এই বিষয়ৰ পৰীক্ষক আছিল মিঃ নাইট্ ওৱাট্ছন।

ইংৰাজী ইতিহাসত মিঃ বৰুৱাই পাইছিল ৫০০ নম্বৰৰ ভিতৰত ৬০। ইয়াৰ পৰীক্ষক আছিল সুবিখ্যাত লিখক মিঃ লিয়নার্ড্ কৰ্টনি।

মনোবিজ্ঞানত মিঃ বৰুৱাই পাইছিল ৫০০ নম্বৰৰ ভিতৰত ৯৪। উল্লিখিত পৰীক্ষাৰ্থীৰ ভিতৰত কোনো কোনোৱে ০, ৩৫, ৩৮, ৭৪, এনেকৈ নম্বৰ পাইছিল। ইয়াৰ পৰীক্ষক আছিল সুপ্রসিদ্ধ দাৰ্শনিক মিঃ আলেক্জেণ্ডাৰ বেইন আৰু চাৰ এ-গ্রেণ্ট।

সৰ্ব্বমুঠ মিঃ বৰুৱাই নম্বৰ পাইছিল ১৩৯৫। সেইবাৰৰ পৰীক্ষাত প্রথম হৈছিল মিঃ এডোৱাৰ্ড ষ্টেক্, নম্বৰ ২৯৯২; দ্বিতীয়, মিঃ বেলচাম ক্রান্ছিছ, নম্বৰ ২১৬১; তৃতীয়, মিঃ উইলিয়ম হৰী, নম্বৰ ১৯০০; চতুৰ্থ, মিঃ ওৱাকাৰ, নম্বৰ ১৮৯৭; ৪১-শ, মিঃ উডবাৰ্ণ, নম্বৰ ১৩৪৯।

সেই কেইবছৰৰ পৰীক্ষাৰ নম্বৰ আদি চালে বুজিব পাৰি যে সকলো বিষয়তে সমানে পাৰ্গত ছাত্র অতি কমহে আছিল। ইংৰাজ ছাত্র-সকলে গ্রীক্ আৰু লেটিন সাহিত্য আৰু বুৰঞ্জী লব পাৰিছিল। ভাৰতীয় ছাত্রৰ পক্ষে ই অসম্ভৱ আছিল। সেইদেখি তেওঁলোকৰ পক্ষে গণিত আৰু সংস্কৃতেই প্রধান অৱলম্বন আছিল। বছৰি তিনি-শ চাৰি-শ পৰীক্ষাৰ্থী আছিল, তাৰ ভিতৰত ৪০ জনমানকহে নিৰ্ব্বাচিত কৰা হৈছিল। গতিকে, আই-চি-এচ্ পৰীক্ষাত নিৰ্ব্বাচিত হোৱাও নিশ্চয় চোকা বুদ্ধিৰ পৰিচায়ক আছিল।

মিঃ বৰুৱাৰ কৃতিত্ব প্ৰকাশ পালে বিশেষকৈ আই-চি-এচৰ চূড়ান্ত পৰীক্ষাত। সেই পৰীক্ষা হয় ১৮৭২ চনৰ মে মাহত। শেষ পৰীক্ষাত উত্তীৰ্ণ নহয়মানে কোনো ছাত্ৰই চিভিল চাৰ্ভিছৰ কামত সোমাব নোৱাৰিছিল; আৰু এই শেষ পৰীক্ষাত পোৱা নম্বৰ অনুসাৰে, চাকৰি ক্ষেত্ৰত আগ-পাচ নিৰ্দ্ধাৰিত হৈছিল। ১৮৭০ চনৰ মুকলি পৰীক্ষাত ৩৮-শ স্থান অধিকাৰ কৰি ১৮৭২ চনত শেষ পৰীক্ষাত মিঃ বৰুৱাই সপ্তম স্থান লাভ কৰে। শেষ পৰীক্ষাত তেওঁৰ নম্বৰ আছিল,—আইনত ১৭৫০-ৰ ভিতৰত ৭৩৩; ভাৰত ইতিহাস ভূগোলত ৩৫০-ৰ ভিতৰ ২৮০; অৰ্থনীতিত ৩৫০-ৰ ভিতৰত ২০৬; হিন্দীত ৪০০-ৰ ভিতৰত ১৮৪; হিন্দুস্থানীত ৪০০-ৰ ভিতৰত ২১৯; বঙলাত ৪০০-ৰ ভিতৰত ৩৬৪; সংস্কৃতত ৫০০-ৰ ভিতৰত ৪৫৪।

নিৰ্ব্বাচিত ছাত্ৰসকলক উপৰোক্ত বিষয়বোৰ পঢ়িবলৈ উৎসাহ দিবৰ কাৰণে কেইবাটাও পুৰস্কাৰ দিয়াৰ বন্দবস্ত আছিল, আৰু তাৰ কাৰণে সুকীয়াকৈ পৰীক্ষা লোৱা হৈছিল। মিঃ বৰুৱাই সংস্কৃতত তেনে এটি পৰীক্ষা দি ৭৫ পাউণ্ড পুৰস্কাৰ লাভ কৰে। তাৰ উপৰিও ইতিহাস-ভূগোল, বঙলা আৰু সংস্কৃত এই তিনি বিষয়তো পাৰদৰ্শিতা দেখুৱাৰ কাৰণে প্ৰত্যেকতে তেওঁ ৩০ পাউণ্ডকৈ পুৰস্কাৰ পায়। এই কাৰণে বোধকৰো অসমীয়া মানুহৰ এতিয়াসৈকে ধাৰণা যে বিলাতৰ পৰা উভতি আহোঁতে মিঃ বৰুৱাৰ হাতত যথেষ্ট টকা আছিল।

মিঃ বৰুৱাৰ সমসাময়িক অন্যান্য পৰীক্ষাৰ্থীয়ে এইদৰে স্থান অধিকাৰ কৰিছিল,—ৰমেশচন্দ্ৰ দত্ত, ১৮৬৯-৭১, প্ৰথম পৰীক্ষাত ৩য়, শেষৰ পৰীক্ষাত ২য়; বিহাৰীলাল গুপ্ত, ১৮৬৯-৭১, প্ৰথম পৰীক্ষাত ১৪-শ, শেষ পৰীক্ষাত ৪ৰ্থ; সুৰেন্দ্ৰনাথ বানাৰ্জ্জী, ১৮৬৯-৭১, প্ৰথম পৰীক্ষাত ২৮-শ, শেষ পৰীক্ষাত ২০-শ; ভিনচেণ্ট স্মিথ, ১৮৬৯-৭১, প্ৰথম পৰীক্ষাত ২য়, শেষ পৰীক্ষাত ১ম; চাৰ্লছ বেণ্ডেল মেৰিন্দিন, ১৮৭০-৭২, প্ৰথম

পৰীক্ষাত ২৮, শেষ পৰীক্ষাত ৩১-শ; জৰ্জ্জ এব্ৰাহাম গ্ৰিয়াৰ্ছন, ১৮৭১-৭৩, প্ৰথম পৰীক্ষাত ২৮-শ, শেষ পৰীক্ষাত ১২-শ; হাৰ্বাৰ্ট হ'প ৰিজ্‌লি, ১৮৭১-৭৩, প্ৰথম পৰীক্ষাত ৩৪-শ, শেষ পৰীক্ষাত ৮ম; বেম্প্‌ফিল্‌ড্‌ ফুলাৰ, ১৮৭৩-৭৫, প্ৰথম পৰীক্ষাত ১১-শ, শেষ পৰীক্ষাত ১ম; জে-ডি-এণ্ডাৰচন, ১৮৭৩-৭৫, প্ৰথম পৰীক্ষাত ২৭-শ, শেষ পৰীক্ষাত ৩৪-শ।

আই-চি-এচ্‌ পৰীক্ষাত ভৰ্ত্তী হবলৈ গলে সম্মানৰ চাৰ্টিফিকেট দেখুৱাব লাগে। ইয়াৰ কাৰণে আনন্দৰামে তেওঁৰ আচাৰ্য্য চন্দ্ৰমোহন গোস্বামী আৰু তৰুণৰাম ফুকন ডাঙৰীয়াৰ পিতৃদেৱ বলোৰাম ফুকনৰ পৰা চিঠি লিখি এই চাৰ্টিফিকেট নিছিল।

আনন্দৰাম বৰুৱাই আই-চি-এচ্‌ পৰীক্ষা দিয়া সময়ত এটি বৰ মস্কিলত পৰিছিল। তেওঁ পৰীক্ষাত সুকলমে সুখ্যাতিৰে পাৰ হৈ গল, কিন্তু বয়স লৈ গণ্ডগোল আৰম্ভ হল। মিঃ বৰুৱাই যিটো বয়স দিছিল আই-চি-এচ্‌ কমিচনাৰ বা কৰ্ত্তৃপক্ষসকলে তাকে গ্ৰহণ কৰিবলৈ সম্মত নহল। অথচ মিঃ বৰুৱা যে এজন মেধাবী আৰু তীক্ষ্ণবুদ্ধিৰ ছাত্ৰ আছিল তাক স্বীকাৰ কৰিবলৈকো তেওঁলোক বাধ্য হৈছিল;—বিশেষতঃ ভাৰতবৰ্ষৰ পৰা ইমান প্ৰতিযোগিতাৰ মাজত দুটাকৈ বজাঘৰীয়া বৃত্তি লাভ কৰিছিল আৰু আই-চি-এচ্‌ পৰীক্ষাত অতি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল।

আনন্দৰাম বৰুৱাক আই-চি-এচ্‌ পৰীক্ষাত তুলিব লাগেনে নেলাগে এই বিষয়লৈ আই-চি-এচ্‌ পৰীক্ষাৰ কৰ্ত্তৃপক্ষসকলৰ সৈতে ভাৰত-মন্ত্ৰী চেক্ৰেটেৰী-অব্‌-ষ্টেটৰ ঘোৰ লিখা-লিখি চলিল। সেই সময়ত বিলাতত ভাৰতবৰ্ষৰ আণ্ডাৰ-চেক্ৰেটেৰী আছিল মিঃ (পাচলৈ চাৰ) গ্ৰেণ্ট্‌-ডাফ। এইজনা ভাৰতহিতৈষী ৰাজনৈতিক পুৰুষ পাচলৈ মাদ্ৰাজৰ গবৰ্ণৰ নিযুক্ত হয়গৈ। এওঁ আনন্দৰাম বৰুৱাক বিমুখ কৰিবলৈ ইচ্ছা নকৰিলে।

এওঁৰ প্ৰৱল যত্নত মিঃ বৰুৱাই আই-চি-এচৰ দুৱাৰদলি অনায়াসে সৰকি গল। আই-চি-এচৰ নিৰ্দ্ধাৰিত বয়সপ্ৰাপ্ত নোহোৱা এজন ভাৰতীয় ডেকাক উত্তীৰ্ণ হবলৈ দিয়াত মহামতি মিঃ গ্ৰেণ্ট-ডাফৰ ওপৰত দোষাৰোপ কৰি বিলাতৰ পাৰ্লেমেণ্ট সভাত আন্দোলন চলিবলৈ ধৰিলে। পাৰ্লেমেণ্টৰ এজন সভ্যই মিঃ গ্ৰেণ্ট-ডাফৰ এই অবিধি কাৰ্য্যৰ কৈফিয়ৎ তলব কৰাত মিঃ গ্ৰেণ্ট্-ডাফে এই বুলি উত্তৰ দিছিল,—"আমি এই সিদ্ধান্তত উপনীত হওঁতে আই-চি-এচ্ পৰীক্ষাৰ নিয়মাবলীৰ ভিতৰুৱা উদ্দেশ্যলৈহে কাণ দিছোঁ। যিজন ছাত্ৰই সুদূৰ ব্ৰহ্মপুত্ৰ ভৈয়ামৰ পৰা আহি ইমান প্ৰতিযোগিতাৰ মাজতো সুখ্যাতিৰে এই পৰীক্ষা উত্তীৰ্ণ হব পাৰিছে তেওঁৰ আকাঙ্ক্ষাৰ বাটত আমি একো প্ৰতিবন্ধক জন্মাবৰ ইচ্ছা নকৰোঁ।" এইদৰে মহামতি মিঃ গ্ৰেণ্ট-ডাফৰ অনুগ্ৰহত এই বিপদৰ পৰা মিঃ বৰুৱাই ৰক্ষা পালে।

মিঃ বৰুৱাৰ বয়স সমস্যা গুৰুতৰ বিধৰে আছিল। আৰু ই সেই কালৰ উল্লেখযোগ্য ঘটনাৰূপে কিছু চাঞ্চল্য সৃষ্টি কৰিছিল। মিঃ বৰুৱাৰ বিষয়ে ইংৰাজী কবিতা লিখক মিঃ মেক্‌মিলান চাহাবে মিঃ বৰুৱাক কাল্পনিক ভাবে সম্বোধন কৰি কৈছিল,—"হেৰা মোৰ নন্দী (আনন্দৰাম), তুমি নিশ্চয় জানা, চেলেপু মানুহে এইবুলি কৈ ফুৰিছে বোলে তুমি হেনো সিদিনা (আই-চি-এচ) পৰীক্ষাৰ দেওনা পাৰ হওঁতে তোমাৰ মুঠ বয়সৰ গণনাৰ পৰা এটা অলাগতিয়াল বছৰ বাদ দি আমাৰ সৰলমতীয়া হোজা ইংৰাজ প্ৰজাক কোষ্ঠী সম্পৰ্কীয় কথাত এটা ভুৰা দিলা। নিন্দুক 'পায়নিয়াৰ' কাকতে এই বুলি আনন্দৰামৰ বিষয়ে অমৰ্য্যাদাৰ কথা ৰটাইছে!"

আই-চি-এচ্ পৰীক্ষাত বয়সৰ গৰমিল হোৱাৰ কাৰণে সুৰেন্দ্ৰনাথ বানাৰ্জ্জীও বিষম সঙ্কটত পৰিছিল। ১৮৬৯ চনৰ পৰীক্ষাত তেওঁ উত্তীৰ্ণ হয়। আৰু কৃতকাৰ্য্য হোৱা পৰীক্ষাৰ্থীসকলৰ তালিকাত তেওঁৰ নাম

যথাবিধি অন্তর্ভুক্ত হল। কিন্তু বয়স লৈ অসামঞ্জস্য হোৱাত সুৰেন্দ্ৰনাথ বানাৰ্জ্জীৰ নামটো পাচলৈ সেই তালিকাৰ পৰা উঠাই দিয়া হল, তাৰ লগতে একে কাৰণতে বোম্বাইৰ প্ৰথম চিভিলিয়ান শ্ৰীপদ বাবাজী ঠাকুৰৰ নামো কৃতকাৰ্য্য হোৱা পৰীক্ষাৰ্থীসকলৰ পৰা বাদ পৰিল। তেতিয়াৰ দিনৰ নিয়মানুসাৰে আই-চি-এচ্ পৰীক্ষাৰ্থীৰ বয়স ১৯ বছৰৰ বেচি আৰু ২১ বছৰৰ কম হব লাগিছিল। ১৮৬৩ চনৰ প্ৰবেশিকা পৰীক্ষাত সুৰেন্দ্ৰনাথৰ বয়স আছিল যোল বছৰ। সেই অনুযায়ী ১৮৬৯ চনত তেওঁৰ বয়স হল একুৰি-দুবছৰ, অৰ্থাৎ আই-চি-এচৰ নিৰ্দ্ধাৰিত বয়সতকৈ এবছৰ অধিক। ইয়াৰ উত্তৰত সুৰেন্দ্ৰনাথে কলে যে ১৮৬৩ চনত তেওঁৰ বয়স ১৫ বছৰহে আছিল, কাৰণ ভাৰতীয় প্ৰথামতে, মাতৃৰ গৰ্ভত থিত লোৱাৰে পৰা সন্তানৰ বয়স নিৰূপিত হয়; ইংৰাজী প্ৰথামতে কেচুৱা ভূমিষ্ঠ হোৱাৰ মুহূৰ্ত্তৰ পৰাহে বয়স গণনা আৰম্ভ হয়। আই-চি-এচ্ কমিচনাৰসকলে কিন্তু এই মত গ্ৰহণ কৰিবলৈ ৰাজি নহল।

ভাৰতবাসীৰ স্বাৰ্থৰক্ষাৰ কাৰণে যি সুৰেন্দ্ৰনাথে চিৰজীৱন সংগ্ৰাম কৰিছিল। 'পৰাজয় মানি কেতিয়াও আত্মসমৰ্পণ নকৰিবা', এই মন্ত্ৰত দীক্ষিত হোৱাৰ কাৰণে যি সুৰেন্দ্ৰনাথক "চাৰেন্দাৰ ন'ট" বুলি আখ্যা দিয়া হৈছিল, সেই সুৰেন্দ্ৰনাথে আই-চি-এচ্ পৰীক্ষাৰ এই নৈৰাশ্যজনক পৰিস্থিতিক নিৰ্ব্বিৰোধে মানি লবলৈ অস্বীকাৰ কৰিলে। তেওঁৰ যুক্তিৰ সমৰ্থন কৰি পণ্ডিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ৰাজেন্দ্ৰলাল মিত্ৰ, কৃষ্টদাস পাল আদিয়ে অভিমত প্ৰকাশ কৰিলে, ভাৰতীয় কাকত-পত্ৰতো আই-চি-এচ্ কমিচনাৰসকলৰ সিদ্ধান্তক গৰিহণা দিবলৈ ধৰিলে। সুৰেন্দ্ৰনাথ বানাৰ্জ্জীও ইংলণ্ডৰ ন্যায়ালয়ৰ আশ্ৰয় ললে। তাৰ ফলত সুৰেন্দ্ৰনাথ আৰু শ্ৰীপদ বাবাজী ঠাকুৰৰ নাম কৃতকাৰ্য্য হোৱা পৰীক্ষাৰ্থী-সকলৰ তালিকাত পুনৰ অন্তৰ্ভুক্ত হল। এই চূড়ান্ত সিদ্ধান্তৰ পৰা

আনন্দৰামৰ বয়সৰ সমস্যাও লাঘৱ হৈ পৰিল বুলি সুৰেন্দ্রনাথে নিজৰ আত্মজীৱন চৰিত্রত উল্লেখ কৰিছে,—"আনন্দৰামৰ বেলিকাও বয়সৰ সমস্যা ঘটিছিল। কিন্তু মোৰ সম্পর্কে সেই সমস্যাৰ সিদ্ধান্ত হোৱাত আনন্দৰামৰ বিষয়ে সেই প্রশ্নৰ পুনৰ উত্থাপন নহল।"

লণ্ডনত মিঃ বৰুৱাই বার্কলি স্কোয়াৰত আছিল বুলি কর্ণেল জালন্ধৰ আলি আহম্মদ চাহাবে আমাক কৈছিল। দুয়ো নেট্‌লি নামে গাৱঁলৈ গই পঢ়া-শুনাৰ সুবিধাৰ কাৰণে তাতে কিছুদিন বাস কৰিছিল। বিলাতত বৰুৱাদেৱৰ অন্তৰঙ্গ বন্ধু আছিল তাৰকনাথ পালিত আৰু শ্রীপদ বাবাজী ঠাকুৰ। পালিতে বেৰিষ্টাৰী পৰীক্ষা পাচ কৰি লণ্ডনতে কিছুদিন আছিল। বয়সৰ বেমেজালি ঘটাত এবছৰ কাল এনেয়ে অতিবাহিত হোৱাত শ্রীপদ বাবাজীয়ে আনন্দৰাম বৰুৱাৰ লগত ১৮৭২ চনত আই-চি-এচৰ শেষ পৰীক্ষা দিবৰ কাৰণে অধ্যয়ন কৰিছিল। ইয়াৰ বাহিৰেও, ৰমেশচন্দ্র দত্ত, বিহাৰীলাল গুপ্ত আৰু সুৰেন্দ্রনাথ বানার্জ্জীৰে সৈতে বৰুৱাদেৱে সদাই দেখা-শুনা কৰিছিল। ডাঃ প্রশান্তকুমাৰ ৰায় সস্ত্রহতে বিলাতলৈ গৈছিল। মিঃ বৰুৱাৰ লগত তেওঁৰ প্রথম সাক্ষাততে বৰুৱাৰ কথা-বার্ত্তা আৰু ব্যৱহাৰত তেওঁ বিশেষ ভাৱে আকৃষ্ট হয়। সেই উপলক্ষে ডাঃ ৰায়ে তেওঁৰ ডায়েৰীত এইবুলি লিখিছিল,—"মিঃ বৰুৱা এনে সৰবৰহী মানুহ, মই এবাৰ তেওঁৰ ঘৰলৈ গৈ তেওঁক নিশ্চয় লগ ধৰিম।" এওঁ ডাঃ পি-কে ৰায় বুলিহে বেচিকৈ জনাজাত। এওঁ পাচলৈ কলিকতাৰ প্রেচিডেন্সী কলেজৰ প্রিন্সিপাল, কলিকতা বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্রাৰ আৰু কলেজৰ ইন্সপেক্টৰৰূপে চাকৰি কৰে।

আনন্দৰাম বৰুৱাৰ সকৰে পৰা লিখা-পঢ়াত একাগ্ৰপতীয়া মন। তেওঁ বিলাতৰ সমাজৰ লগত হলি-গলি কৰি সুকুৰিছিল। বহুতে ভাৰতৰ পৰা মহৎ আশা মহৎ উদ্দেশ্য লৈ বিলাতলৈ যায়; কিন্তু তাত প্রলোভনৰ পাকচক্রত পৰি তেওঁলোকৰ আশা-ভৰসা সকলোতে জলাঞ্জলি দিব

লগাত পৰে। তেওঁলোকে বাঠ আৰু ব্ৰাইটন আদি সমুদ্ৰতীৰৰ সমাজ-লীলাৰ ঢৌত পৰি থাউনি নেপোৱা হয়। অজস্ৰ অৰ্থপাত কৰি বহুতে হয়তো শুদা হাতেৰে ভাৰতলৈ উভতি আহে নাইবা, তেতিয়াৰ দিনত অল্পপ্ৰয়াস-লব্ধ ব্যাৰিষ্টাৰী উপাধি লৈ ভাৰতলৈ প্ৰত্যাবৰ্ত্তন কৰে; কিন্তু আনন্দৰাম তেনে বিধৰ চঞ্চল প্ৰকৃতিৰ মানুহ নাছিল। তেওঁ প্ৰমেথিয়ূচ হৈ বিলাতৰ পৰা অপূৰ্ব্ব জ্ঞানৰ জেউতি আনিবলৈ গৈছিল। তেওঁ ভালকৈ বুজিছিল অসম-মাতৃৰ আশা-ভৰসাৰ স্থল হৈ তেওঁ বিলাতলৈ গৈছে। তেওঁৰ বিবেক প্ৰবল থকাত তেওঁ কোনো সময়তে লক্ষ্যভ্ৰষ্ট নহল।

তাৰকনাথ পালিতে আমাক কৈছিল, আনন্দৰাম বৰুৱা তেতিয়াৰে পৰা বৰ নিমাতী স্বভাৱৰ মানুহ আছিল, আৰু নিজৰ মনৰ সংকল্প কাকো ভাঙ্গি নকৈছিল। ওপৰতে কৈ অহা হৈছে বি-এচ্-চি পৰীক্ষাৰ কাৰণে তেওঁ নীৰৱে সাজু হৈছিল, ঘুণাক্ষৰে কাকো তাৰ বিষয়ে জানিবলৈ দিয়া নাছিল। তেওঁ নীৰৱে দুৱাৰ বন্ধ কৰি পঢ়ি থাকে। তাৰকনাথ পালিত বা আন কোনো বন্ধুয়ে আহি যদি দুৱাৰত ঢকা মাৰে, তেওঁ বি-এচ্-চি পৰীক্ষাৰ কিতাপবিলাক লুকুৱাই থৈহে বন্ধুসকলক দুৱাৰ খুলি দিয়ে।

মিঃ বৰুৱাই এই বি-এচ্-চি পৰীক্ষাৰ কাৰণে পঢ়োঁতে লণ্ডন ইউনিভাৰ্চিটিৰ প্ৰসিদ্ধ অধ্যাপক ডাক্তাৰ কাৰ্পেণ্টাৰে এবাৰ কৈছিল,— "মই ইমান দিন অধ্যাপকী কাম কৰিছোঁ, কিন্তু আনন্দৰাম বৰুৱাৰ নিচিনা এনে অনুসন্ধিৎসু ছাত্ৰ আজিলৈকে পোৱা নাই।" সেইদৰে ইংৰাজী সাহিত্যৰ অধ্যাপক মিঃ হেন্‌ৰী মৰ্লি, গণিতৰ অধ্যাপক ডাঃ টধাণ্টাৰ, সংস্কৃতৰ অধ্যাপক ডাঃ থিয়োদাৰ গোল্ড্‌ষ্টাকাৰ আদি শিক্ষকেও আনন্দৰামৰ প্ৰতিভা গুণত বিশেষ মুগ্ধ হৈছিল।

সেই সময়ত অগাধ পণ্ডিত ভট্ট মোক্ষমূলাৰ অক্সফোৰ্ডৰ অধ্যাপক আছিল। আনন্দৰাম বৰুৱাই কলেজ বন্ধ হলেই এই মনিষীক গৈ চোৱাৰ সুযোগ নেৰিছিল।

মিঃ বৰুৱাই অতি সুখ্যাতিৰে আই-চি-এচ্ পৰীক্ষা পাচ কৰা দেখি সকলোৱে স্তম্ভিত হৈছিল। কিন্তু কৃতকাৰ্য্য হোৱা ছাত্ৰসকলৰ তালিকাত মিঃ আনন্দৰাম বৰুৱা এই নামটি দেখি বিশেষ ৰকমে বিস্ময় মানিছিল মিঃ এলেক মেকমিলান নামে এজন কবি প্ৰকৃতিৰ চিভিলিয়ান চাহাবে। আনন্দৰাম বৰুৱা এই ওজস্বী নামটোত কি এটা অলৌকিক শক্তি আছিল কৱ নোৱাৰি; মিঃ মেকমিলানক এই নামটোৱে দিনে-ৰাতি দিঠকে-সপোনে খেদি ফুৰিছিল। "বিবিধ গীত" নামে মিঃ মেকমিলান ৰচিত এখনি ইংৰাজী পদ্য-গ্ৰন্থত 'আনন্দৰাম বৰুৱা' নামেৰে এটি পোন্ধৰ-পিঠীয়া দীঘল কবিতা আছে, আৰু সি কিতাপৰ সৰ্ব্বপ্ৰথম কবিতা। কবিতাৰ অতি সংক্ষেপে সাৰমৰ্ম্ম এই;—

"এটা নাম আছে যাৰ প্ৰতাপত পুৱাৰপৰা সন্ধিয়ালৈকে, সন্ধিয়াৰপৰা পুৱতিলৈকে মই থিৰেৰে থাকিব নোৱাৰা হৈছোঁ। ই নিজৰাৰ কুল্ কুল্ শব্দ নহয়, নাইবা হেমন্তকালৰ গছৰ পাতত ৰিব্ ৰিব্ বতাহৰ হেন্দোলনি নহয়, ই লাৱণ্যময়ী যুৱতীৰ নাম নহয়, নাইবা ডুপৰ নিশাৰ অমৃত-বৰষা বুলবুলৰ ধ্বনিও এই নামত নাই। এই নামটো আন কাৰো নহয়,— অলপতে আই-চি-এচ্ পাচ কৰা আনন্দৰাম বৰুৱাৰ।

"যেতিয়া সৰ্ব্বপ্ৰথমে ভাৰতীয় সকলৰ কাৰণে আই-চি-এচ্ পৰীক্ষাৰ দুৱাৰ মুকলি কৰি দিয়া হয়, তেতিয়াৰে পৰা পৰীক্ষাৰ্থী সকলৰ তালিকাত লৰেন্স, কল্ভিন, ইলিয়ট আদি ইংৰাজী নামৰ লৈতে চাটাৰ্জ্জী, ঘোষ আৰু দত্ত আদি ভাৰতীয় নাম প্ৰকাশিত হল। কিন্তু কোনে ভাবিছিল যে আগলৈ সেই তালিকাত আনন্দৰাম বৰুৱা হেন এনে এটা ওজস্বী নাম প্ৰকাশিত হব?

"পুৱা কচাৰীলৈ যাওঁ, এজলাচত বহি প্ৰতিদ্বন্দী বাদী-ফৰিয়াদী গোছৰীয়া-পদকীয়াৰ মিছা জবানবন্দিৰ চক্ৰবেহু ভেদ কৰি সঁচা কথা উদ্ধাৰ কৰিবলৈ যত্ন কৰোঁতে মোৰ থৰ-বুগুতি নোহোৱা হয়। তাতো সেই

আচবিত নামটোৱে আহি মোক চাবিওফালৰ পৰা আগুৰি ধৰে। মোৰ পাখাৰ কলমে নিজৰ কৰ্ত্তব্য পাহৰি নানাবিধ আখৰেৰে বিচাৰৰ কাকতত আনন্দৰাম বৰুৱা নামটো লিখবলৈ ধৰে, কেতিয়াবা সৰু ফলাৰে কেতিয়াবা বৰ ফলাৰে আনন্দৰাম নামৰ আখৰ কেইটা ওলট-পালট কৰি তাক নগুৰ-শাস্তি কৰে।

"ৰাতি মই টোপনিত মগন। পাংখাৰ ওলোমা কিনাবৰ দীঘলীয়া কানিবোৰেও আনন্দৰামৰ সুৰে সুৰে-নাচিবলৈ ধৰে। ওৰে ৰাতি পাংখা টানি-টানি ভাগৰ লগাত পাংখাৱালা কুলিৰ হাতৰ পৰা জৰিডাল স্খলিত পৰে। খণ্ডত মোৰ তত নাই, জোতাৰ বুৰুজ, বুট জোতা, কাৰ্বলিক চাবোনৰ টুকুৰা, আইনৰ কিতাপ যতে যি পাওঁ তাৰে সৈতে তাৰ টোপনি-ৰূপী দানৱক সংহাৰিবলৈ সাজু হৈছোঁ, এনে পৰত শুনিবা মহবোৰে 'আনন্দৰাম' 'আনন্দৰাম' কৰি গুণগুনাব ধৰিছে।"

"তাৰ পাচত মই টোপনিত অচেতন। সপোনত দেখিলোঁ দুদল যুঁজাৰু সমৰ-সজ্জাত সজ্জিত। এদলে আনন্দৰামৰ নাম লৈ হুংকাৰ ধ্বনি কৰি সিদলক হেলাৰঙ্গে পৰাস্ত কৰিছে। বিজয় দুন্দুভি বাজিব ধৰিলে। বিজয়ী সেনাক সম্ভাষণ জনাবলৈ যুবতীসকলে নগৰৰ সিংহদুৱাৰলৈ আগ-বাঢ়ি গৈছে, প্ৰত্যেকৰ হাতত একোটা বাঁহী, আৰু সেই বাঁহীৰে কি অমৃত বৰষিছে ?—আনন্দৰামৰ কীৰ্ত্তিকাহিনীৰ অজস্ৰ প্ৰশংসা।"

"ভাৰতৰ ঠাঁইবোৰৰ ইংৰাজী বানান বা আখৰ-জোঁতনি নিৰ্দ্ধাৰিত কৰিবলৈ ভাষাবিদ্ পণ্ডিত ডাক্তাৰ উইলিয়াম হাণ্টাৰক চৰকাৰৰ ঘৰৰ পৰা নিযুক্ত কৰা হৈছিল। অযোধ্যা গুচি কেনেকৈ 'আউদ্' হব লাগে এই-বোৰ বিষয়ে তেওঁ মতামত দিছিল। সপোনত দেখা পাই হাণ্টাৰক সুধিলোঁ,—"তুমি ইমান ভাষাবিদ্ পণ্ডিত, আনন্দৰাম বৰুৱা এই অদ্ভুত নামটোৰ আখৰ জোঁতনি কেনেকৈ নিৰ্ণয় কৰিবা কোৱাঁ।"

"এই প্ৰশ্নত ডাক্তাৰ হাণ্টাৰৰ তৎমৎ হেৰাল। তাৰ পাচত স্বয়ং